**2014**

ASSAMESE

( Major )

Paper : 6.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়াঁ : ১×৭=৭

(ক) 'গদ্য' শব্দৰ ব্যুৎপত্তিগত অৰ্থ কি?

(খ) গদ্য ৰচনাৰ এটা প্ৰধান গুণ উল্লেখ কৰাঁ।

(গ) ৰামচন্দ্ৰৰ প্ৰপিতামহ ৰঘুৰাজৰ দিনত কামৰূপ ৰাজ্য কিহৰ নিমিত্তে প্ৰসিদ্ধ আছিল?

(ঘ) হেমচন্দ্ৰ বৰুৱাৰ দদায়েকৰ নাম কি আছিল?

(ঙ) তীৰ্থনাথ শৰ্মাই কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাদেমি বঁটা পাইছিল?

(চ) প্ৰথম অসমীয়া বি. এ. কোন আছিল?

(ছ) "উপনিষদৰ ঋষিসকলে এদিন কৈছিল, ততঃপৰং কিম্?" তাৰ উত্তৰ কি পালে?

২। চমু উত্তৰ দিয়াঁ : ২×৪=৮

(ক) "সকলোৰে ৰঙ্গিণী বঙ্গিয়াক সঙ্গিনী কৰি লৈছিল।" কথাষাৰ কোনে আৰু কিয় কৈছিল?

(খ) শ্ৰীধৰ স্বামীয়ে 'কৃষ্ণ' নামৰ পাৰিভাষিক অৰ্থ কেনেদৰে ব্যাখ্যা কৰিছে?

(গ) 'শিক্ষাৰ ইতিহাস আৰু ছাত্ৰ' শীৰ্ষক পাঠত লেখকে আগৰ কালৰ আৰু বৰ্তমানৰ শিক্ষাৰ উদ্দেশ্য কি বুলিছে?

(ঘ) আমিয়েলৰ কৰুণ অৱস্থাৰ কাৰণ কি আছিল?

৩। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ কৰিবাঁ : ৫×৩=১৫

(ক) হেমচন্দ্ৰ বৰুৱাই বৰ্ণবিন্যাস-সংশোধনৰ নিমিত্তে কৰা যত্নত কাৰ পৰা বাধা পাইছিল? 'ৱ' আখৰ ব্যৱহাৰৰ ক্ষেত্ৰত তেওঁ কেনে পৰিস্থিতিৰ সন্মুখীন হৈছিল?

(খ) পুৰণি কামৰূপ কি কি পীঠত বিভক্ত আছিল? সেই পীঠসমূহৰ সীমা কি কি আছিল, বুজাই লিখাঁ।

(গ) পিতাক বৰুণৰ উপদেশ মতে ভৃগুৱে কিদৰে বাৰে বাৰে ধ্যান কৰিছিল আৰু শেষত কি উপলব্ধি কৰিলে, 'শ্ৰীকৃষ্ণতত্ত্ব'ৰ আধাৰত বুজাই লিখাঁ।

(ঘ) ঋগ্‌বেদত সন্নিৱিষ্ট ঋষিকন্যা বাক্‌দেৱী ৰচিত বিশ্বাত্মাৰ লগত ঐক্যানুভূতিৰ ভাৱ পল্লৱিত হোৱা সূক্তটিৰ অৰ্থ লিখাঁ।

(ঙ) গুণাভিৰাম বৰুৱাই কিয় 'শেহান্তত স্বেচ্ছাই প্ৰৱসুৱা শান্তি বিচাৰিব লগা হৈছিল'?





৪। তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ কৰিবাঁ : ১০×৩=৩০

(ক) শ্ৰেষ্ঠ গদ্য কেনে হোৱা উচিত? সাহিত্যিক গদ্য কি? ইয়াৰ শ্ৰেণীবিভাজন কেনেদৰে কৰিব পাৰি, বুজাই লিখাঁ।

(খ) আধুনিক অসমীয়া গদ্যৰ বিকাশত ব্যক্তিগত আৰু সামাজিক শক্তিয়ে কিদৰে সহায় কৰিছিল, আলোচনা কৰাঁ।

(গ) হেমচন্দ্ৰ বৰুৱাই 'বিধবা বিয়া'ৰ সপক্ষে কেনে যুক্তি আগবঢ়াইছিল, আলোচনা কৰাঁ।

(ঘ) প্ৰাচীন ভাৰতত শিক্ষাৰ পোহৰ বিলাবলৈ কিমানখন বিশ্ববিদ্যালয় আছিল? ভাৰতীয় ঐতিহ্য আৰু পৰম্পৰাৰ সৃষ্টিত সেই শিক্ষানুষ্ঠানসমূহৰ ভূমিকা কেনে আছিল, এটি আলোচনা আগবঢ়োৱাঁ।

(ঙ) হেমচন্দ্ৰ আৰু গুণাভিৰামে নাট্য ৰচনাৰ ক্ষেত্ৰত সমাজ আৰু মানুহৰ প্ৰতি পোষণ কৰা মনোভাৱ কেনে আছিল, বুজাই লিখাঁ।

(চ) বেজবৰুৱাই "ব্ৰহ্ম সৎ", "ব্ৰহ্ম চিৎস্বৰূপ" আৰু "ব্ৰহ্ম আনন্দময়" বোলা কথাকেইষাৰ কিদৰে ব্যাখ্যা কৰিছে, তোমাৰ ভাষাৰে লিখাঁ।

★★★